**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-10-2024 **Time :** 0705 Hrs.

## Assamese Morning Bulletin

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি অইল ইণ্ডিয়া লিমিটেড গুৱাহাটী, তিনিচুকীয়া, যোৰহাট আৰু শিৱসাগৰত স্থাপন কৰিবলগীয়া চি বি জি প্ৰকল্পৰ ভূমি পূজন অনুষ্ঠানত ভাৰ্চুৱেলী অংশগ্ৰহণ কৰিব। শিৱসাগৰ, যোৰহাট আৰু তিনিচুকীয়াত আজি পুৱা চাৰে ৯ বজাত আৰু গুৱাহাটীত পুৱা ১০ বজাত এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে। অইল ইণ্ডিয়া লিমিটেডে এখন বিবৃতিযোগে এই কথা প্ৰকাশ কৰিছে।

০০০০০০০

কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে অসমকে ধৰি ১৪ খন বান ক্ষতিগ্ৰস্ত ৰাজ্যলৈ ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি পুজি আৰু ৰাজ্যিক দুৰ্যোগ সঁহাৰিৰ পুজিৰ অংশ হিচাপে ৫ হাজাৰ ৮৫৮ কোটি ৬০ লাখ টকাৰ আৱণ্টন দিছে। কেন্দ্ৰীয় চৰকাৰে অসমলৈ ৭১৬ কোটি টকা আবণ্টন দিছে। একেদৰে মহাৰাষ্ট্ৰলৈ এহেজাৰ ৪৯২ কোটি টকা, অন্ধ্ৰ প্ৰদেশলৈ এহেজাৰ কোটিৰো অধিক টকা, গুজৰাটলৈ ৬০০ কোটি টকা আৰু তেলেংগানালৈ ৪১৭ কোটি টকা মোকলাই দিয়া হৈছে। চলিত বৰ্ষৰ বাৰিষা কালত অতিমাত্ৰা বৰষুণ, বান আৰু ভূমিস্খলনৰ ফলত এই ৰাজ্যসমূহ ক্ষতিগ্ৰস্ত হৈছিল। বানত ক্ষতিগ্ৰস্ত অসম, মিজোৰাম, কেৰালা, ত্ৰিপুৰা, নাগালেণ্ড, গুজৰাট, অন্ধ্ৰ প্ৰদেশ, তেলেংগানা আৰু মণিপুৰলৈ ক্ষয়-ক্ষতিৰ মূল্যায়নৰ বাবে আন্তঃমন্ত্ৰালয় কেন্দ্ৰীয় দল প্ৰেৰণ কৰা হৈছিল। কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহে সামাজিক মাধ্যমৰ এটা পোষ্টত কয় যে প্ৰাকৃতিক দুৰ্যোগৰ ফলত ক্ষতিগ্ৰস্ত হোৱা ৰাজ্যসমূহক সহায় কৰিবলৈ কেন্দ্ৰীয় চৰকাৰ সংকল্পবদ্ধ। তেওঁ লগতে কয় যে চলিত বৰ্ষত ইতিমধ্যে ২১খন ৰাজ্যলৈ ১৪ হাজাৰ ৯০০ কোটিৰো অধিক টকা মোকলাই দিয়া হৈছে।

০০০০০০০০

আজি মহালয়া। আহিন মাহৰ অমাৱশ্যা তিথিটোক মহালয়া নামেৰে অভিহিত কৰা হয় আৰু এই দিনটোতে দিন-ৰাতিৰ সন্ধিক্ষণৰ পৰা মহালয়া পূজা আৰম্ভ হয়। মহালয়ৰ পৱিত্ৰ ক্ষণত দেৱী দুৰ্গাৰ ধৰালৈ আগমন ঘটে বুলি বিশ্বাস কৰা হয়। ইয়াৰ লগে লগেই দুৰ্গা পূজাৰ আধ্যাত্মিক পৰ্বসমূহো আৰম্ভ হয়। মহালয়া উপলক্ষে পাৰ্বন শ্ৰাদ্ধ কৰা হয়। ৰাজ্যৰ ভিন্ন প্ৰান্তৰ নৈ, জান-জুৰি ঘাটত পুৱতি নিশাৰে পৰা ভক্তসকলে ভিৰ কৰা পৰিলক্ষিত হয়।

০০০০০০০

জাতিৰ পিতা মহাত্মা গান্ধীৰ ১৫৫ সংখ্যক জয়ন্তীত আজি সমগ্ৰ দেশবাসীয়ে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। গান্ধী জয়ন্তী উপলক্ষে প্ৰতি বছৰে সমগ্ৰ দেশৰ লগতে প্ৰবাসী ভাৰতীয়সকলেও ধাৰাবাহিকভাৱে বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰি আহিছে। নতুন দিল্লীৰ ৰাজঘাটৰ বাপুৰ সমাধিস্থলীত গান্ধী জয়ন্তী উপলক্ষে আজি এখন সৰ্বধৰ্মীয় প্ৰাৰ্থনা সভাৰ আয়োজন কৰা হৈছে। জন্মবাৰ্ষিকী উপলক্ষে দেশবাসীয়ে আজি প্ৰাক্তন প্ৰধানমন্ত্ৰী লাল বাহাদুৰ শাস্ত্ৰীকো স্মৰণ কৰিছে।

গান্ধী জয়ন্তী উপলক্ষে আজি পুৱা ৯ বজাৰ পৰা ১০ বজালৈ জনসাধাৰণক একত্ৰিত হৈ স্বচ্ছতাৰ হকে শ্ৰম দান কৰিবলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আহ্বান জনাইছে। এই উপলক্ষে নতুন দিল্লীৰ বিজ্ঞান ভৱনত

হ'বলগীয়া স্বচ্ছ ভাৰত দিৱসৰ অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। প্ৰধানমন্ত্ৰী গৰাকীয়ে মহাত্মা গান্ধীৰ প্ৰতি শ্ৰদ্ধা জনাই বাপুজীৰ প্ৰভাৱ বিশ্বজনীন বুলি উল্লেখ কৰি তেওঁৰ চিন্তাই সমগ্ৰ মানৱ জাতিকে ঐক্য আৰু দয়াৰ মনোভাৱক আগুৱাই নিবলৈ প্ৰেৰণা যোগায় বুলি উল্লেখ কৰে।

ইপিনে, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই মহাত্মা গান্ধীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাই তেওঁ অহিংসা আৰু প্ৰেমৰ বাণীৰে সমগ্ৰ বিশ্বৰ মানৱ জাতিক উদ্বুদ্ধ কৰিছিল বুলি উল্লেখ কৰে।

০০০০০০০

গান্ধী জয়ন্তী উপলক্ষে কেন্দ্ৰীয় চৰকাৰে সমগ্ৰ দেশতে মাংসৰ দোকান আৰু জীৱ-জন্তুৰ বধশালাসমূহ বন্ধ কৰাৰ বাবে দিয়া নিৰ্দেশনাৰ অংশ হিচাপে যোৰহাট জিলা আয়ুক্তইও জিলাখনত আজি এই নিৰ্দেশনা কাৰ্যকৰী কৰিবলৈ নিৰ্দেশ দিছে। আয়ুক্তগৰাকীয়ে আজিৰ দিনটোত জিলাখনৰ সকলো মাংসৰ দোকান আৰু বধশালাসমূহ বন্ধ ৰখাৰ লগতে এইক্ষেত্ৰত উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিবলৈ জিলা প্ৰশাসনৰ সংশ্লিষ্ট বিষয়াসকলক আহ্বান জনাইছে।

০০০০০০০

উচ্চতৰ মাধ্যমিক পৰীক্ষাত ৬০ শতাংশৰে উত্তীৰ্ণ হোৱা ছাত্ৰী আৰু ৭৫ শতাংশৰে উত্তীৰ্ণ হোৱা ছাত্ৰক ড° বাণীকান্ত কাকতি বঁটাৰে স্কুটি প্ৰদান কৰাৰ সিদ্ধান্তত ৰাজ্যিক কেবিনেটে অনুমোদন জনাইছে। সৰ্বমুঠ ৪০ হাজাৰ ৭৩৫ গৰাকী ছাত্ৰী, ৭ হাজাৰ ৯৩৮ জন ছাত্ৰক এই স্কুটি প্ৰদান কৰাৰ বাবে কেবিনেটে অনুমোদন জনায়। এই স্কুটিসমূহ প্ৰদানত ৰাজ্য চৰকাৰৰ ৩৪৫ কোটি ৭৫ লাখৰো অধিক ধন ব্যয় হ'ব। ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠকৰ পাছত মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই সাংবাদিকৰ আগত কালি এই বিষয়ে প্ৰকাশ কৰে। অসম লোকসেৱা আয়োগৰ ২০১৩ আৰু ১৪ বৰ্ষৰ পৰীক্ষাত অনিয়ম সন্দৰ্ভত অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মা আয়োগৰ প্ৰতিবেদন পৰৱৰ্তী অসম বিধানসভাৰ অধিবেশনত দাখিল কৰাৰ প্ৰস্তাৱতো কেবিনেটে অনুমোদন জনাইছে। তদুপৰি জাগীৰোডৰ ছেমি কনডাক্টৰ প্ৰকল্পত পানী যোগানৰ বাবে আঁচনিত অনুমোদনৰ সিদ্ধান্ত গ্ৰহণ কৰে। ইয়াৰ বাবে ১২১ কোটি ৩৬ লাখ টকা ব্যয় কৰা হ'ব। অহা ৪ আৰু ৫ অক্টোবৰত ৰাজ্যৰ ৩৯ টা স্থানত সমজিলা কাৰ্যালয়সমূহ কেইবাগৰাকী মন্ত্ৰীয়ে শুভাৰম্ভ কৰাৰ বিষয়েও কেবিনেটে সিদ্ধান্ত গ্ৰহণ কৰে।

০০০০০০০

**সমাপ্ত**